জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

নং ঃ ৪০৩/২০২০

## বিশ্ব পৰিৱেশ দিৱসৰ কাৰ্যসূচীত অংশ ল'লে মুখ্যমন্ত্ৰীয়ে

# ৰাজ্যখনৰ জৈৱ-বৈচিত্ৰ সংৰক্ষণ আৰু গছপুলি ৰোপণৰ বাবে সংকল্পৱদ্ধ হ'বলৈ জনসাধাৰণক মুখ্যমন্ত্ৰীৰ আহ্বান

**দিছপুৰ, ৫ জুনঃ** মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে ক'ভিড-১৯ অতিমাৰীৰ মাজতে অত্যন্ত সীমাৰদ্ধতাৰ মাজেৰে ৰাণী সংৰক্ষিত বনাঞ্চলৰ চকৰ্দোত আয়োজিত বিশ্ব পৰিৱেশ দিৱসৰ কাৰ্যসূচীত অংশ গ্ৰহণ কৰি বন আৰু পৰিৱেশ বিভাগৰ মন্ত্ৰী পৰিমল শুক্লবৈদ্যৰ উপস্থিতিত এটা গছপুলি ৰোপণেৰে এই অঞ্চলত বৃক্ষ ৰোপণ কাৰ্যসূচীৰ শুভাৰম্ভ কৰে। মুখ্যমন্ত্ৰীয়ে লগতে ইয়াত উপস্থিত থকা সাংবাদিকসকলক একোটিকৈ গছপুলি উপহাৰ দি তেওঁলোকক সেউজ আৰু স্বচ্ছ অসম গঢ়াৰ দিশত জনসাধাৰণক আৰু অধিক সজাগ আৰু সচেতন কৰাৰ বাবে আহ্বান জনায়।

এই কাৰ্যসূচীত উপস্থিত থকা সাংবাদিকসকলৰ সৈতে হোৱা কথা-বতৰাত মুখ্যমন্ত্ৰী সোণোৱালে বিশ্ব পৰিৱেশ দিৱসৰ দিনটো হ'ল প্ৰকৃতিপ্ৰেমী ৰাইজৰ বাবে বিশেষ গুৰুত্বপূৰ্ণ দিন। মুখ্যমন্ত্ৰীয়ে বিশ্ব পৰিৱেশ দিৱসৰ এই শুভক্ষণতে অসমৰ সকলো শ্ৰেণীৰ জনসাধাৰণক ৰাজ্যখনৰ প্ৰকৃতি সংৰক্ষণ তথা ইয়াৰ জৈৱ বৈচিত্ৰ আৰু সেউজ আৱৰণ বৃদ্ধিৰ বাবে সংকল্পৱদ্ধ হ'বলৈও আহ্বান জনায়। এই প্ৰসংগত মুখ্যমন্ত্ৰীয়ে কয় যে অসমে ইয়াৰ জৈৱ বৈচিত্ৰৰ প্ৰাচুৰ্যতা আৰু সেউজ আৱৰণৰ বাবে সমগ্ৰ জগততে প্ৰসিদ্ধ। মুখ্যমন্ত্ৰীয়ে লগতে কয় যে আমি আমাৰ প্ৰাকৃতিক পৰিৱেশ জীয়াই ৰাখিব লাগিব। অসমৰ সেউজ আৱৰণ আমি সকলো সময়তে সংৰক্ষণ কৰিব লাগিব। সেয়েহে আজিৰ এই পৱিত্ৰ ক্ষণত অসমৰ সকলো শ্ৰেণীৰ জনসাধাৰণে গছ-গছনি ৰোপণ আৰু ইয়াৰ প্ৰতিপালনৰ বাবে সংকল্পৱদ্ধ হ'ব লাগিব বুলি মুখ্যমন্ত্ৰীয়ে কয়। গুৰু জনাৰ 'এক বৃক্ষ দশ পুত্ৰ সম' উক্তিৰ উদ্ধৃতি দাঙি ধৰি মুখ্যমন্ত্ৰীয়ে কয় যে গছ থাকিলেহে মানুহ থাকিব। সেয়েহে অসম চৰকাৰৰ তৰফৰ পৰা ২০১৬ চনত প্ৰদূষণমুক্ত অসম এখন গঢ়ি তোলাৰ বাবে লক্ষ্য লৈ প্ৰকৃতিৰ সংৰক্ষণৰ বাবে পদক্ষেপ লোৱা হৈছে। অসমৰ ৩৩ খন জিলাত ফল-ফুল-ঔষধি বৃক্ষ ৰোপণৰে জনসাধাৰণৰ মাজত এই দিশত এক শক্তিশালী জনসচেতনতা গঢ়ি তোলাৰ বাবে চৰকাৰখনে প্ৰয়াস চলাইছে।

# জনসংযোগ, অসম
## মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
## প্ৰেছ বাৰ্তা

মুখ্যমন্ত্ৰীয়ে লগতে ৰাজ্য চৰকাৰৰ বিষয়া-কৰ্মচাৰী, বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী, শিক্ষক-শিক্ষয়িত্ৰী, জনপ্ৰতিনিধিকে ধৰি সকলোকে অসমক এখন জৈৱ-বৈচিত্ৰতাৰ শক্তিশালী স্থান হিচাপে গঢ়ি তোলাৰ দিশত নিষ্ঠা সহকাৰে কৰ্মত ব্ৰতী হোৱাৰ বাবে আহ্বান জনায়। অসমৰ প্ৰাকৃতিক সৌন্দৰ্য বৰ্তাই ৰখাৰ বাবে সকলোৱে নিষ্ঠা সহকাৰে আত্ম-নিয়োগ কৰিব লাগিব বুলিও মুখ্যমন্ত্ৰীয়ে কয়। গছ-গছনিয়ে সৃষ্টি কৰা পৰিৱেশৰ দ্বাৰা এক শক্তিশালী জৈৱ বৈচিত্ৰৰ আৱৰ্তৰ সৃষ্টি হয় বুলিও মুখ্যমন্ত্ৰীয়ে দোহাৰে। সেয়েহে মুখ্যমন্ত্ৰীয়ে ৰাজ্যখনত বৃহৎ পৰিমাণৰ গছপুলি ৰোপণ কৰি ইয়াৰ সংৰক্ষণৰ বাবে পদক্ষেপ ল'বলৈ সকলোকে আহ্বান জনায়। মুখ্যমন্ত্ৰীয়ে কয় যে কেৱল গছ ৰোপণ কৰিলেই নহ'ব ইয়াক উপযুক্ত সংৰক্ষণ কৰিব লাগিব। এই ক্ষেত্ৰত প্ৰতিগৰাকী ব্যক্তিয়ে দায়ৱদ্ধতাৰে পদক্ষেপ ল'ব লাগিব বুলি মুখ্যমন্ত্ৰীয়ে কয়। এই ক্ষেত্ৰত ইয়াক সামাজিক তথা মানৱীয় দায়িত্ব হিচাপে সকলোৱে গণ্য কৰিব লাগিব বুলিও মুখ্যমন্ত্ৰীয়ে কয়। এইবাৰৰ বৰষা ঋতুতে জুলাই মাহৰ ভিতৰত অসমত ডেৰ কোটি গছপুলি ৰোপণ কৰা হ'ব বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে এই ক্ষেত্ৰত সাংবাদিকসকলে জনসাধাৰণৰ মাজত উপযুক্ত জনসচেতনতাৰ সৃষ্টি কৰাৰ বাবে সাংবাদিকসকলক আহ্বান জনায়।

আজিৰ এই বিশ্ব পৰিৱেশ দিৱসৰ কাৰ্যসূচীত মুখ্যমন্ত্ৰীৰ মিডিয়া উপদেষ্টা হৃষীকেশ গোস্বামী, মুখ্য সচিব কুমাৰ সঞ্জয় কৃষ্ণ, পৰিৱেশ আৰু বন বিভাগৰ প্ৰধান সচিব অবিনাশ যোশী, প্ৰধান মুখ্য বন সংৰক্ষক এ এম সিঙৰ লগতে বহু সংখ্যক জ্যেষ্ঠ বিষয়া উপস্থিত থাকে।

উল্লেখ্য যে এই কাৰ্যসূচীৰ পূৰ্বে মুখ্যমন্ত্ৰীয়ে তেখেতৰ চৰকাৰী বাসভৱনতো এটা গছপুলি ৰোপণ কৰে।

**সুঃদঃ / পুঃডেঃ / বঃভাঃ**
**৫/৬/২০২০**